**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Time :** 19-10 Hrs **Date : 26-4-25**

***Assamese Evening Bulletin***
***Headlines***

১। বিশ্বৰ ৰোমান কেথলিক গীৰ্জাঘৰৰ মুৰববী পোপ ফ্ৰান্সিছৰ শেষকৃত্য আজি ৰোমৰ ছাণ্টা মাৰীয়া মেইগীগোৰ বেছিলিকাত সম্পন্ন কৰা হয়।

২। যেতিয়া যুৱ প্ৰজন্মই ৰাষ্ট্ৰ নিৰ্মাণত ভাগ লয় তেতিয়া ৰাষ্ট্ৰৰ বিকাশ খৰতকীয়া হয় আৰু সমগ্ৰ বিশ্বতে ই প্ৰভাৱ বিস্তাৰ কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে।

৩। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ে ৰাষ্ট্ৰৰ সুৰক্ষাৰ স্বাৰ্থত সন্ত্ৰাসবাদ বিৰোধী অভিযান আৰু সৈন্য সঞ্চালনৰ বাতৰি পোনপটীয়াকৈ সম্প্ৰচাৰ কৰাৰ পৰা বিৰত থাকিবলৈ সকলো চেনেলক পৰামৰ্শ জাৰি কৰিছে।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ পৃষ্ঠ পোষকতাত কৈলাশ মানসৰোবৰ যাত্ৰা চলিত বৰ্ষৰ জুনৰ পৰা আগষ্টলৈ আয়োজন কৰাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

*আৰু*

৫। আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত কলকাতা নাইট ৰাইডাৰ্ছ পাঞ্জাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

বিশ্বৰ ৰোমান কেথলিক গীৰ্জাঘৰৰ মুৰববী পোপ ফ্ৰান্সিছৰ শেষকৃত্য আজি ৰোমৰ ছাণ্টা মাৰীয়া মেইগীগোৰ বেছিলিকাত সম্পন্ন কৰা হয়। বিভিন্ন ৰীতি-নীতিৰে সম্পন্ন হোৱা দুঘণ্টাজোৰা এই শেষকৃত্য কাৰ্যসূচীত বিশ্বৰ ভালেকেইগৰাকী ৰাষ্ট্ৰপ্ৰধানসহ আঢ়ৈ লাখৰো অধিক লোকে অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ভাৰত চৰকাৰ আৰু দেশৰ জনসাধাৰণৰ হৈ তেওঁৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে।

যোৱা ২১ এপ্ৰিলত পোপ ফ্ৰান্সিছৰ দেহাৱসান ঘটিছিল। পোপ ফ্ৰান্সিছৰ প্ৰতি সন্মান জনাই ভাৰতে ২২, ২৩ এপ্ৰিল আৰু আজি তিনি দিনীয়া ৰাষ্ট্ৰীয় শোক ঘোষণা কৰিছে।

০০০০

যেতিয়া যুৱ প্ৰজন্মই ৰাষ্ট্ৰ নিৰ্মাণত ভাগ লয় তেতিয়া ৰাষ্ট্ৰৰ বিকাশ খৰতকীয়া হয় আৰু সমগ্ৰ বিশ্বতে ই প্ৰভাৱ বিস্তাৰ কৰে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে। তেওঁ কয় যে দেশৰ যুৱ প্ৰজন্মই তেওঁলোকৰ কষ্ট আৰু উদ্ভাৱনৰ জৰিয়তে বিশ্বক ভাৰতৰ সম্ভাৱনাৰ উমান দিছে। ভিডিঅ' কনফাৰেনছিঙৰ জৰিয়তে চৰকাৰৰ বিভিন্ন বিভাগত নতুনকৈ নিযুক্তি পোৱা ৫১ হাজাৰতকৈ অধিক প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰাৰ পাছত নিয়োগ মেলাত প্ৰধানমন্ত্ৰীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে নিযুক্তি পত্ৰ লাভ কৰা যুৱক-যুৱতীসকলৰ, ৰাষ্ট্ৰৰ অৰ্থনীতি, আভ্যন্তৰীণ সুৰক্ষা, আধুনিক আন্তঃগাঠনি বিকশাই তোলা আৰু শ্ৰমিকসকলৰ জীৱনলৈ পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত

গধুৰ দায়িত্ব আছে। তেওঁ লগতে উল্লেখ কৰে যে তেওঁলোকে নিজৰ কৰ্ম যিমান সততাৰে কৰিব বিকশিত ভাৰতৰ যাত্ৰাক দেশক সিমানে আগবঢ়াই নিব।

০০০০

কেন্দ্ৰীয় বিমান পৰিবহন মন্ত্ৰী কে ৰাম মোহন নায়ডুৱে ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰতি দায়িত্বশীল আৰু প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ যুৱ সমাজৰ প্ৰতি আহ্বান জনাইছে। বিশাখাপট্টনমৰ সাগৰমালা প্ৰেক্ষাগৃহত আজি আয়োজিত ৰোজগাৰ মেলাত ২৫০ গৰাকী নৱনিযুক্ত প্ৰাৰ্থীক উদ্দেশ্যি ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ নৱনিযুক্ত প্ৰাৰ্থীসকলক ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ অৰ্থ বাস্তবায়িত কৰাৰ বাবে নিষ্ঠা আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰে কাম কৰিবলৈ আহ্বান জনায়।

০০০০

চৰকাৰে বিমান সংস্থাসমূহক যাত্ৰী নিৰাপত্তা, সুৰক্ষা তথা যাত্ৰাৰ সূচলতা সুনিশ্চিত কৰাৰ উদ্দেশ্যে কিছুমান বিশেষ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে। বিমান পৰিবহন মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, শেহতীয়া ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত কিছু স্থানত আন্তঃৰাষ্ট্ৰীয় বিমান পথ ব্যৱহাৰত নিষেধাজ্ঞা আৰোপিত হোৱাৰ বাবে কেইবাখনো বিমানৰ যাত্ৰাপথ সলনি কৰা হৈছে। ইয়াৰ ফলত বিমান যাত্ৰা দীঘলীয়া হৈ পৰাৰ লগতে কাৰিকৰি কাৰণত যাত্ৰাপথত ৰ'বলগীয়া হোৱাৰ সম্ভাৱনাও দেখা গৈছে। মন্ত্ৰালয়ে বিমান সংস্থাসমূহক যাত্ৰা পথৰ সাল-সলনি, দীঘলীয়া যাত্ৰা তথা যাত্ৰী পথত ৰ'বলগীয়া স্থান সন্দৰ্ভত যাত্ৰীসকলক সবিশেষ জনাবলৈ নিৰ্দেশ দিছে। যাত্ৰীসকলে বিমান বন্দৰত উপস্থিত হৈ চেক ইন কৰা, বিমানত প্ৰৱেশ কৰাৰ সময়ত তথা ডিজিটেল মাধ্যমেৰে যাত্ৰীসকলক অৱগত কৰাবলৈ বিমান সংস্থাসমূহক নিৰ্দেশ দিয়া হৈছে। তদুপৰি যাত্ৰাপথত যথেষ্ট খাদ্যবস্তু, পানীকে ধৰি যাৱতীয় প্ৰয়োজনীয় সামগ্ৰীসমূহ মজুত ৰাখিবলৈও বিমান সংস্থাসমূহক নিৰ্দেশ দিয়া হৈছে। মন্ত্ৰালয়ে চিকিৎসা সাহায্য সামগ্ৰী মজুত ৰাখিবলৈও বিমান সংস্থাসমূহক নিৰ্দেশ দিছে।

০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ৰাষ্ট্ৰৰ সুৰক্ষাৰ স্বাৰ্থত সন্ত্ৰাসবাদ বিৰোধী অভিযান আৰু সৈন্য সঞ্চালনৰ বাতৰি পোনপটীয়াকৈ সম্প্ৰচাৰ কৰাৰ পৰা বিৰত থাকিবলৈ সকলো চেনেলৰ পৰামৰ্শ জাৰি কৰিছে। মন্ত্ৰালয়ে লগতে প্ৰতিৰক্ষা অভিযান আৰু গতিবিধি সম্পৰ্কীয় সূত্ৰ আধাৰিত তথ্য সন্দৰ্ভত বা বাতৰি প্ৰচাৰ কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। সময়ৰ পূৰ্বে সংবেদনশীল তথ্য সদৰি কৰিলে দেশ বিৰোধী শক্তিসমূহৰ বাবে লাভদায়ক বুলি প্ৰমাণিত হ'ব পাৰে আৰু অভিযানৰ ফলপ্ৰসূতা তথা সুৰক্ষা কৰ্মীসকলৰ নিৰাপত্তালৈ ভাবুকি আহিব পাৰে বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

সম্প্ৰচাৰ মন্ত্ৰালয়ে কৈছে যে, পূৰ্বৰ  ঘটনাক্ৰমে দায়িত্বশীল বাতৰি পৰিৱেশনৰ গুৰুত্ব প্ৰতিপন্ন হৈছে। কাৰ্গিল যুদ্ধ, ২৬ নৱেম্বৰৰ মুম্বাই সন্ত্ৰাসবাদী আক্ৰমণ আৰু কান্দাহাৰ অপহৰণৰ দৰে ঘটনাৰ সময়ত বাধাহীন সম্প্ৰচাৰে ৰাষ্ট্ৰীয় স্বাৰ্থৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাইছিল।  কোনো অনুষ্ঠানত সুৰক্ষা বাহিনীৰ সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ পোনপটীয়া সম্প্ৰচাৰ কৰিব নালাগে বুলি কেবল টেলিভিছন নেটৱৰ্ক সংশোধনী নিয়মাৱলীত স্পষ্টভাৱে উল্লেখ আছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২১ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী- দূৰদৰ্শনৰ সকলো নেটৱৰ্কৰ লগতে   আকাশবাণীৰ ৱেবচাইট আৰু নিউজ অন এয়াৰ ম'বাইল এপতো শুনিবলৈ পোৱা যাব। আকাশবাণী, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউ টিউব চেনেলতো এই অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে এই অনুষ্ঠানৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ পৃষ্ঠ পোষকতাত কৈলাশ মানসৰোবৰ যাত্ৰা চলিত বৰ্ষৰ জুনৰ পৰা আগষ্টলৈ আয়োজন কৰাৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই বেলি ৫০ গৰাকীকৈ যাত্ৰীৰ মুঠ ৫ টা দলে উত্তৰাখণ্ডৰ মাজেৰে লিপুলেখপাছ হৈ এই যাত্ৰাত অংশ লোৱাৰ লগতে ৫০ গৰাকীকৈ যাত্ৰীৰ মুঠ ১০ টা দলে ছিকিমৰ মাজেৰে নাথুলাপাছ হৈ এই যাত্ৰা কৰিব। আগ্ৰহীসকলে kmy.gov.in ৱেবচাইটৰ জৰিয়তে আবেদন জনাব পাৰিব। আবেদনকাৰীসকলৰ মাজৰ পৰা নিৰপেক্ষ পদ্ধতিৰে কম্পিউটাৰৰ সহায়ত যাত্ৰী নিৰ্বাচন কৰা হ'ব। এই নিৰ্বাচন প্ৰক্ৰিয়াত পুৰুষ তথা মহিলা যাত্ৰী বাচনি কৰোতে সমতা ৰক্ষা কৰি হ'ব। ২০১৫ চনৰে পৰা অনলাইন আবেদন গ্ৰহণ পদ্ধতিৰে এই বাচনি প্ৰক্ৰিয়া অব্যাহত আছে বুলি উল্লেখ কৰি মন্ত্ৰালয়ে প্ৰকাশ কৰে যে, সম্পূৰ্ণৰূপে কম্পিউটাৰৰ মাধ্যমেৰে যাত্ৰী নিৰ্বাচন কৰা হয়। আবেদনকাৰীসকলে ফেক্স বা পত্ৰ প্ৰেৰণৰ প্ৰয়োজন নাই বুলিও মন্ত্ৰালয়ে প্ৰকাশ কৰে।

০০০০

সমগ্ৰ দেশৰ বিদ্যুৎৰ চাহিদা পূৰণ কৰিবলৈ শক্তি মন্ত্ৰালয় প্ৰতিশ্ৰুতিবদ্ধ বুলি কেন্দ্ৰীয় শক্তি মন্ত্ৰী মনোহৰ লালে আশ্বাস দিছে। ছিকিমৰ গেংটকত আজি উত্তৰ-পূৰ্বাঞ্চলৰ শক্তি মন্ত্ৰীসকলৰ আঞ্চলিক সন্মিলনত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে বিদ্যুৎৰ উৎপাদন বৃদ্ধি পালে কৰ্মসংস্থাপনৰ নতুন নতুন সুযোগ সৃষ্টি হ'ব। তেওঁ কয়, যে উত্তৰাখণ্ড-হিমাচলপ্ৰদেশ আৰু জম্মু-কাশ্মীৰকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ পাৰ্বত্য ৰাজ্যসমূহক আন্তঃগাথনিৰ উন্নয়নৰ বাবে সমতল এলেকাৰ তুলনাত অধিক ধন দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে চিকিম আৰু অৰুণাচল প্ৰদেশত জলবিদুৎ খণ্ডত অপাৰ সুযোগ আছে। বিদ্যুৎ উৎপাদন, সৰবৰাহ আৰু বিতৰণ সম্পৰ্কীয় বিষয়সমূহক লৈ আজিৰ বৈঠকত আলোচনা কৰা হয় বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ শক্তিমন্ত্ৰীসকল বৈঠকত উপস্থিত থাকে।

০০০০

প্ৰসিদ্ধ ইতিহাসবিদ তথা ভাৰতীয় ঐতিহাসিক গৱেষণা পৰিষদৰ প্ৰাক্তন অধ্যক্ষ ড০ এম জি এছ নাৰায়ণনৰ আজি পুৱা ক'ঝিক'দেত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯২ বছৰ। প্ৰখ্যাত শৈক্ষিক তথা ৰাজনৈতিক বিশ্লেষক ড০ নাৰায়ণনে প্ৰায় ১৪ বছৰ কাল কালিকট বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ ভাৰতীয় ইতিহাস সভাৰ প্ৰধান সচিব হিচাপে নিৰ্বাচিত হোৱাৰ লগতে পাছলৈ সভাৰ সভাপতিৰ দায়িত্বও গ্ৰহণ কৰিছিল। তেওঁ লণ্ডনৰ স্কুল অব্ অ'ৰিয়েণ্টেল এণ্ড আফ্ৰিকান ষ্টাডীজৰ কমনৱেলথ একাডেমীক ষ্টাফ ফেল' আছিল। তদুপৰি মস্ক', লেনিংৰাড, মেক্সিকো আৰু টকিঅ'ৰ কেইবাখনো বিশ্ববিদ্যালয়ৰ

তেওঁ আমন্ত্ৰিত অধ্যাপক আছিল। ড০ নাৰায়ণনে ৰচনা কৰা কেইবাখনো উল্লেখযোগ্য গ্ৰন্থ হৈছে- চৰিত্ৰ পৰিচয়ম, সাহিত্য অপৰাধংগল, ক'ঝিক'ডিণ্টে কাধা আৰু জনাধিপত্যব্ৰুম কমিউনিচেৰম ইত্যাদি।

০০০০

আইজলৰ মুৱালপুইৰ ৰাজীৱ গান্ধী ষ্টেডিয়ামৰ পৰা আজি পুৱাৰ ভাগত প্ৰথম আইজল আন্তঃৰাষ্ট্ৰীয় হাফ মাৰাথন আৰম্ভ হয়। এই কাৰ্যসূচীত এহেজাৰ ৫০০ তকৈও অধিক লোকে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাৰ বিভিন্ন শিতানত মুঠ ১০ লাখ টকাৰ পুৰস্কাৰ আগবঢ়োৱা হয়। অনুষ্ঠানত ভাষণ দি ৰাজ্যপাল অৱসৰপ্ৰাপ্ত জেনেৰেল বিজয় কুমাৰ সিঙে ভৱিষ্যতত ব্যাপক পৰিষৰত এই প্ৰতিযোগিতা আয়োজনৰ আশা প্ৰকাশ কৰে। ক্ৰীড়া আৰু যুৱ সেৱা মন্ত্ৰী পু লালংঘিংলোভা মাৰে পৰৱৰ্তী আইজল আন্তঃৰাষ্ট্ৰীয় হাফ মাৰাথন অহা বছৰৰ ১৪ ফেব্ৰুৱাৰীত আয়োজিত হ'ব বুলি ঘোষণা কৰে।

০০০০

ইৰাণৰ দক্ষিণ প্ৰান্তৰ বন্দৰ আববাছ চহৰৰ ছাহিদ ৰাজাই বন্দৰত আজি হোৱা এটা বিস্ফোৰণত চাৰিশৰো অধিক লোক আহত হৈছে। নেচনেল ইৰানিয়ান পেট্ৰ'লিয়াম ৰিফাইন এণ্ড ডিষ্ট্ৰিবিউচন কোম্পানীয়ে প্ৰকাশ কৰা মতে বিস্ফোৰণৰ ফলত তেল উৎপাদন আৰু পৰিবহনৰ কামত কোনো প্ৰভাৱ পৰা নাই। ওমানত ইৰাণ আৰু আমেৰিকাৰ মাজত পাৰমানৱিক আলোচনাৰ তৃতীয় ৰাউণ্ড আৰম্ভ হোৱাৰ সময়তে এই বিস্ফোৰণ সংঘটিত হৈছে।

০০০০

আই পি এল টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পাঞ্জাৱ কিংছে ৮খন খেলৰ ৫ খনত জয়লাভ কৰি বৰ্তমান পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে। কলকাতা নাইট ৰাইডাৰ্ছ ৮খন খেলৰ ৩খনত জয়লাভ কৰি সপ্তম স্থানত আছে।

চেন্নাইৰ এম এ চিডম্বৰম ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত ছানৰাইৰ্জাছ হায়দৰাবাদে ৫ উকিেটত চেন্নাই ছুপাৰ কিংছক পৰাস্ত কৰে। ছানৰাইৰ্জাছ হায়দৰাবাদে ৮ উইকেট হাতত থকা অৱস্থাতে ১৫৫ ৰানৰ নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে ৰাজস্থান, মধ্যপ্ৰদেশ, হাৰিয়ানা আৰু পাঞ্জাব পৰৱৰ্তী চাৰি দিনত গ্ৰীষ্ম প্ৰবাহৰ কবলত পৰিব পাৰে বুলি আগলী বতৰা দিছে। বিভাগে লগতে কাইলৈ পৰ্যন্ত উত্তৰ-পূৰ্বাঞ্চলৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত